**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-06-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিজেপি সাংসদ বৈজয়ন্ত পাণ্ডাৰ নেতৃত্বৰ সৰ্বদলীয় প্ৰতিনিধি দলটো আলজেৰিয়া, চৌডি আৰব, কুৱেইট আৰু বাহৰেইন ভ্ৰমণ সামৰি আজি পুৱা নতুন দিল্লীলৈ ঘূৰি আহে।

২। অসমৰ শেহতীয়া বান পৰিস্থিতি সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে কথা পাতি সকলো ধৰণৰ সাহায্যৰ প্ৰতিশ্ৰুতি দিয়ে।

৩। ব্ৰাজিলৰ ব্ৰাচিলিয়াত অনুষ্ঠিত ব্ৰীকছৰ অন্তৰ্ভুক্ত দেশসমূহৰ যোগাযোগ মন্ত্ৰীসকলৰ বৈঠকত ভাৰতে বহনক্ষম আৰু ভৱিষ্যতৰ বাবে সাজু ডিজিটেল বিকাশৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে।

৪। ইটালীত থকা ইউৰোপৰ আটাইতকৈ সক্ৰিয় হিচাপে পৰিচিত মাউণ্ট ইটনা আগ্নেয়গিৰিৰ কালি উদ্‌গিৰণ হয়।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল খেলখন আজি ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰু আৰু পাঞ্জাৱ কিংছৰ মাজত অনুষ্ঠিত হ'ব।

০০০০০০০০০

অপাৰেচন সিন্দূৰৰ অধীনত অব্যাহত থকা সন্ত্ৰাসবাদ বিৰোধী কামকাজ আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতি বিশ্বজুৰি প্ৰচাৰৰ বাবে সম্প্ৰতি ভাৰতৰ সৰ্বদলীয় প্ৰতিনিধি দলৰ বিশ্ব ভ্ৰমণ অব্যাহত আছে। বিশ্বৰ বিভিন্ন দেশলৈ যোৱা সাতটা প্ৰতিনিধি দলে সংশ্লিষ্ট ৰাষ্ট্ৰসমূহৰ নেতৃবৰ্গ, জ্যেষ্ঠ বিষয়া, প্ৰভাৱশালী চিন্তাবিদ, সংবাদমাধ্যম আৰু প্ৰবাসী ভাৰতীয়সকলক সাক্ষাৎ কৰিছে।

বিজেপি সাংসদ বৈজয়ন্ত পাণ্ডাৰ নেতৃত্বত যোৱা দলটোৱে আলজেৰিয়া, চৌডি আৰব, কুৱেইট আৰু বাহৰেইন ভ্ৰমণ সামৰি আজি পুৱা নতুন দিল্লীলৈ ঘূৰি আহে। আজি আন দুটা প্ৰতিনিধি দলো দেশলৈ ঘূৰি অহাৰ কথা। নতুন দিল্লীত সংবাদ মাধ্যমক বৈজয়ন্ত পাণ্ডাই এই ভ্ৰমণক অত্যন্ত সফল বুলি অভিহিত কৰি কয়, যে তেওঁলোকে ভ্ৰমণ কৰা দেশকেইখনে সন্ত্ৰাসবাদৰ বিৰুদ্ধে স্পষ্ট মতামত প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই দেশকেইখনে ভাৰতৰ স্থিতি বুজি পাইছে আৰু এই বিষয়ত কোনো ধৰণৰ স্পষ্টিকৰণ দিবলগীয়া হোৱা নাই। শ্ৰী পাণ্ডাই ভাৰতক অহিংসা নীতিত বিশ্বাসী দেশ হিচাপে উল্লেখ কৰি কয়, যে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ আঁৰত থকা সত্যক উন্মোচন কৰা আছিল প্ৰতিনিধি দলটোৰ ভ্ৰমণৰ উদ্দেশ্য। ভাৰতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে লোৱা কঠোৰ ব্যৱস্থাৰ বিষয়েও প্ৰতিনিধি দলটোৱে সংশ্লিষ্ট দেশকেইখনৰ নেতৃবৰ্গক অৱগত কৰায় বুলি শ্ৰী পাণ্ডাই প্ৰকাশ কৰে।

ডি এম কেৰ সাংসদ কানিমোঝি কৰুণানিধিৰ নেতৃত্বৰ সৰ্বদলীয় প্ৰতিনিধি দলটো ৰাছিয়া, লাটভিয়া, শ্ল'ভেনিয়া, গ্ৰীচ আৰু স্পেইন ভ্ৰমণ সামৰি দেশলৈ ঘূৰি আহিব। জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝাৰ নেতৃত্বৰ দলটোও আজি সন্ধিয়া দেশত উপস্থিত হ'ব। দলটোৱে আজি মালয়েছিয়াত দেশখনৰ বিদেশ মন্ত্ৰালয় আৰু আন্তৰ্জাতিক বাণিজ্য সম্বন্ধিয় সংসদীয় বিশেষ কমিটিৰ সৈতে বৈঠকত বহে। তেওঁলোকে দেশখনৰ সংসদ হাউছ্ অব ৰি-প্ৰেজেণ্টটেটিভছ্ৰ অধ্যক্ষকো সাক্ষাৎ কৰে। এই ভ্ৰমণত দলটোৱে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাৰ শক্তিশালী বাৰ্তাৰ বিষয়ে দেশখনৰ নেতৃবৰ্গক জানিবলৈ দিয়ে।

কংগ্ৰেছ সাংসদ শশী থাৰুৰৰ নেতৃত্বৰ সৰ্বদলীয় প্ৰতিনিধি দলটোৱে ব্ৰাজিলত দেশখনৰ জ্যেষ্ঠ নেতৃবৰ্গ আৰু বিষয়াৰ সৈতে উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। দলটোৱে চূড়ান্ত পৰ্যায়ত সম্প্ৰতি আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ কৰি আছে। সংবাদ মাধ্যমক শ্ৰী থাৰুৰে কয়, যে ৱাশ্বিংটনত চৰকাৰী বিষয়া, আইন প্ৰণেতা, চিনেটৰ, কংগ্ৰেছৰ সদস্য, প্ৰভাৱশালী চিন্তাবীদ, সংবাদমাধ্যমৰ প্ৰতিনিধিৰ লগতে হাউছ্ অব কমনছ্ আৰু ছিনেটৰ বিভিন্ন কমিটিৰ সৈতে বৈঠকত মিলিত হ'ব।

এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া সুলেৰ নেতৃত্বত যোৱা আন এটা সৰ্বদলীয় প্ৰতিনিধি দলে কাইৰোত ইজিপ্তৰ বিদেশ মন্ত্ৰালয় পৰিষদৰ সৈতে বৈঠকত মিলিত হয়। দলটোৱে কাইৰোৰ অল হ'ৰেয়া গাৰ্ডেনত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি নিবেদনেৰে শ্ৰদ্ধা জনায়। লাইবেৰিয়াত শিৱসেনাৰ সাংসদ শ্ৰীকান্ত সিন্দেৰ নেতৃত্বৰ প্ৰতিনিধি দলটোৱে দেশখনৰ ৰাষ্ট্ৰপতি জোছেফ নুমা ব'ৱাকাই আৰু বিদেশ পৰিক্ৰমা মন্ত্ৰী ছাৰাহ বে'ছ'ল নানটিৰ সৈতে আলোচনাত মিলিত হয়। তেওঁলোকে হাউছ্ অব ৰিপ্ৰেজেনটেটিভছ্ৰ অধ্যক্ষ ৰিচাৰ্ড নগবে কুনকো সাক্ষাৎ কৰে। সংবাদ মাধ্যমত শ্ৰী সিন্দেই কয়, যে তেওঁলোকে ভ্ৰমণ কৰা আটাইকেইখন দেশেই ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী যুঁজখনলৈ সমৰ্থন জনাইছে আৰু সন্ত্ৰাসবাদক গোলকীয় ভাবুকি হিচাপে অভিহিত কৰিছে।

০০০০০০০০০

অসমৰ শেহতীয়া বান পৰিস্থিতি সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে টেলিফোনত কথাবতৰা পাতে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই অসম আৰু চুবুৰীয়া ৰাজ্যসমূহত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত সৃষ্টি হোৱা বান পৰিস্থিতি  আৰু ৰাজ্যখনৰ বিভিন্ন অঞ্চলত পৰা ইয়াৰ প্ৰভাৱ সন্দৰ্ভত প্ৰধানমন্ত্ৰীক অৱগত কৰে। ৰাজ্য চৰকাৰে সম্ভৱপৰ সকলো ধৰণৰ সাহায্য বান পীড়িতক আগবঢ়োৱা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী মোদীক জনায়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ বান  পৰিস্থিতিৰ বুজ লয়। তেওঁ লগতে কয়, যে সাম্প্ৰতিক বানত ক্ষতিগ্ৰস্তসকলৰ সাহায্য আৰু পুনৰসংস্থাপনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে পূৰ্ণ সমৰ্থন আগবঢ়াব বুলি প্ৰধানমন্ত্ৰীয়ে আশ্বাস দিছে।

প্ৰধানমন্ত্ৰীয়ে ছিকিমৰ শোচনীয় বান পৰিস্থিতি সন্দৰ্ভত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙৰ সৈতেও টেলিফোন যোগে কথা পাতে। শ্ৰী মোদীয়ে বান, ভূমিস্খলনৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ  কবলত পৰা ৰাজ্যখনক সকলো ধৰণৰ সাহায্য আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। মুখ্যমন্ত্ৰী টামাঙে ইয়াৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীক কৃতজ্ঞতা জনায় কয়, পৰিস্থিতি চম্ভালিবৰ বাবে ৰাজ্য প্ৰশাসন সম্পূৰ্ণ প্ৰতিশ্ৰুতিবদ্ধ আৰু দুৰ্যোগৰ কবলত পৰা লোকসকলক সকলো ধৰণৰ প্ৰয়োজনীয় সাহায্য আগবঢ়োৱা হৈছে।

০০০০০০০০০

ব্ৰাজিলৰ ব্ৰাচিলিয়াত অনুষ্ঠিত একাদশ ব্ৰীকছ্ ৰাষ্ট্ৰ গোষ্ঠীৰ যোগাযোগ মন্ত্ৰীসকলৰ বৈঠকত ভাৰতে বহনক্ষম আৰু ভৱিষ্যতৰ বাবে সাজু ডিজিটেল বিকাশৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। কালি অনুষ্ঠিত এই বৈঠকত যোগাযোগ দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ পেম্মাছানি চন্দ্ৰশেখৰে ভাৰতৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিক বিস্তাৰিত আৰু পৰিৱৰ্তনশীল ডিজিটেল প্ৰশানৰ দিশত গোলকীয় মান নিৰ্ণয়কাৰী হিচাপে উল্লেখ কৰে। তেওঁ এইক্ষেত্ৰত আধাৰ আৰু ইউ পি আইৰ দৰে চৰকাৰৰ গুৰুত্বপূৰ্ণ পদক্ষেপসমূহত আলোকপাত কৰে। ড০ চন্দ্ৰশেখৰে ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ বিকাশৰ বাবে ব্ৰীকছ্ ৰাষ্ট্ৰসমূহক সহযোগিতা গভীৰ কৰি তুলিবলৈ আহ্বান জনায়।

বৈঠকত ব্ৰীকছ্ ৰাষ্ট্ৰসমূহে সীমান্তৰ ইপাৰৰ ডিজিটেল উদ্ভাৱন আৰু বহনক্ষমতাৰ প্ৰচাৰৰ বাবে চূড়ান্ত ঘোষণা পত্ৰ গ্ৰহণ কৰে। ড০ চন্দ্ৰশেখৰে এই বৈঠকৰ আয়োজক ব্ৰাজিলৰ নেতৃত্বত প্ৰশংসা কৰে। তেওঁ লগতে ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীক অহা বছৰ ভাৰতত হ'বলগীয়া দ্বাদশ ব্ৰীকছ্ যোগাযোগ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনায়।

০০০০০০০০০

পঞ্জাব আৰক্ষীয়ে পাকিস্তানৰ চোৰাংচোৰা সংস্থা আই এছ্ আই আৰু পাকিস্তানত থকা খালিস্তানী সমৰ্থক গোপাল সিং চাওলাৰ সৈতে শক্তিশালী যোগাযোগত থকা এজন চোৰাংচোৰাক গ্ৰেপ্তাৰ কৰিছে। গগনদীপ সিং নামৰ অভিযুক্তজনক কালি সন্ধিয়া তাৰ্ন তাৰানৰ পৰা গ্ৰেপ্তাৰ কৰা হয়। চৰকাৰী সূত্ৰ অনুসৰি শ্ৰী সিঙে কেতবোৰ সংবেদনশীল তথ্য শত্ৰু দেশক যোগান ধৰিছিল। আৰক্ষীয়ে কয়, যে গগনদীপ সিঙে কেইবাবছৰ ধৰি সেনাৰ চাল-চলনৰ তথ্য পাকিস্তানী বিষয়াসকলক যোগান ধৰি আহিছিল।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৬ জুনত জম্মু-কাশ্মীৰত চেনাব দলং উদ্বোধন কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ সিঙে কয়, যে বিশ্বৰ সৰ্বোচ্চ এই ৰে'ল দলং নৱ ভাৰতৰ শক্তি আৰু দৰ্শনৰ প্ৰতিক হিচাপে থিয় দিছে। তেওঁ লগতে কয়, যে উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা ৰে'ল যোগাযোগ প্ৰকল্পৰ অংশ হিচাপে নিৰ্মাণ কৰা চেনাব ৰে'ল দলংখন অতি কঠিন প্ৰাকৃতিক প্ৰত্যাহ্বানৰ মাজতো অটল হৈ থাকিব পৰাকৈ অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মাণ কৰি উলিওৱা হৈছে।

০০০০০০০০০

ইটালীত থকা ইউৰোপৰ আটাইতকৈ সক্ৰিয় হিচাপে পৰিচিত মাউণ্ট ইটনা আগ্নেয়গিৰিৰ কালি উদ্‌গিৰণ হয়। আগ্নেয়গিৰিটোৰ পৰা উদ্‌গিৰণ হোৱা ছাই আৰু ধোঁৱাই চিচিলিৰ আকাশ আবৰি ধৰে। লগে লগে পৰ্যটকসকলৰ মাজত আতংকৰ সৃষ্টি হয়। চিচিলিৰ ৰাষ্ট্ৰপতি ৰেনাৰ্ট স্কিফেনিয়ে কয়, যে উদগিৰিত লাভা প্ৰাকৃতিক অঞ্চলসমূহলৈ বৈ অহা নাই আৰু জনবসতিপূৰ্ণ এলেকাত কোনো ধৰণৰ বিপদৰ সৃষ্টি কৰা নাই। প্ৰশাসনে সামগ্ৰিক পৰিস্থিতিত সূক্ষ্ম দৃষ্টি ৰাখিছে আৰু জনসাধাৰণক সতৰ্কতা অৱলম্বনৰ আহ্বান জনাইছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল খেলখন আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু পাঞ্জাব কিংছৰ মাজত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া চাৰে ৭ বজাত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী

ষ্টেডিয়ামত আৰম্ভ হ'ব। ৰজত পাটিদাৰ নেতৃত্বাধীন বেংগালুৰুৰ দলটোৱে চণ্ডীগড়ত অনুষ্ঠিত প্ৰথমখন কোৱালিফায়াৰ খেলত পঞ্জাৱ কিংছক ৮ উইকেটত আৰু শ্ৰেয়াছ আয়াৰৰ নেতৃত্বাধীন পাঞ্জাব কিংছে আহমেদাবাদত অনুষ্ঠিত দ্বিতীয়খন কোৱালিফায়াৰ খেলত মুম্বাই ইণ্ডিয়ানছক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। উল্লেখযোগ্য যে এই পৰ্যন্ত আজি খেলিবলগীয়া দল দুটাৰ কোনো এটাইও আই পি এলৰ খিতাপ দখল কৰিব পৰা নাই।

০০০০০০০০০

ইণ্ডোনেছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধুৱে মহিলাৰ শাখাৰ ৰাউণ্ড 32ত বিজয়ী হৈ পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে। ইণ্ডোনেছিয়াৰ  ইছট'ৰা ছেনায়ানত অনুষ্ঠিত খেলত তেওঁ জাপানৰ ন'জ'মি অকুহাৰাক ২২-২০, ২১-২৩, ২১-১৫ গেমত পৰাজিত কৰে।

পুৰুষৰ ছিংগলছত ভাৰতৰ লক্ষ্য সেন প্ৰথম ৰাউণ্ডতে পৰাজিত হয়। চীনৰ শ্বি য়ু কিৰ বিৰুদ্ধে ১১-২১, ২২-২০, ১৫-২১ গেমত পৰাজিত হয়। আনহাতে অনুপমা উপাধ্যায়, দক্ষিণ কোৰিয়াৰ কীম গা ইয়ুনৰ বিৰুদ্ধে খেলি পৰাজিত হয়। আজি ভাৰতৰ এইছ্ এছ প্ৰণয়ৰ লগতে পুৰুষৰ ডাবলছত সত্বিকছাইৰাজ ৰনকীৰেড্ডী আৰু ছিৰাগ চেট্টী নিজৰ নিজৰ খেলত অৱতীৰ্ণ হ'ব।

০০০০০০০০০

সমাপ্ত